# ০১. অৱতৰণিকা

কোকৰাঝাৰ জিলাখন এসময়ত অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল। কোকৰাঝাৰ জিলাত নানা জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। ইয়াত ভাষা-সাহিত্য-সংস্কৃতিৰ সমন্বয় দেখিবলৈ পোৱা যায়।

“কোচ ৰাজবংশী জনগোষ্ঠীৰ জন্ম-বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ ঃ এক অধ্যয়ন (কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখনেৰে)” শীৰ্ষক আমাৰ গৱেষণাত কোচ ৰাজবংশী জনগোষ্ঠীৰ জন্ম বিবাহ আৰু মৃত্যু আদিত পালন কৰা ৰীতি-নীতি আৰু ইয়াৰ লগত জড়িত লোকবিশ্বাস আৰু লোকাচাৰসমূহৰ বিশ্লেষণ আগবঢ়াবলৈ যত্ন কৰা হ’ব।

কোচ ৰাজবংশী সমাজত ভালেমান লোকবিশ্বাস আৰু লোকাচাৰ আৱহমান কালৰে পৰা জনসমাজত প্ৰচলিত হৈ আহিছে। কোচ ৰাজবংশী লোকসমাজত জন্ম, বিবাহ আৰু মৃত্যুৰ লগত বহুতো লোকবিশ্বাস আৰু লোকাচাৰ জড়িত হৈ আছে।

এগৰাকী নাৰীয়ে যাতে সুস্থ-সবলভাৱে কেঁচুৱা জন্ম দিব পাৰে তাৰ বাবে সমাজত বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰৰ পালন কৰা হয়। সেইদৰে বিবাহতো কইনা চোৱাৰ পৰা অষ্টমংগললৈকে ভালেমান লোকবিশ্বাস আৰু লোকাচাৰ পালন কৰা দেখিবলৈ পোৱা যায়। তেনেদৰে মৃত্যুৰ ক্ষেত্ৰতো  এগৰাকী মৃত্যু পথৰ যাত্ৰীক কষ্টৰ পৰা যাতে সোনকালে মুক্তি দিব পাৰে তাৰ বাবে গুৰুপূজা, সোণ-ৰূপ, তুলসীপাত আৰু গঙ্গাপানী মুখত দিয়া আৰু মৃত্যুৰ পিছত শ্মশানত লৈ যোৱা আদিৰ পৰা আৰম্ভ কৰি এবছৰলৈকে নানাধৰণৰ লোকবিশ্বাস আৰু লোকাচাৰৰ পালন কৰা হৈ আহিছে। এই লোকাচাৰসমূহ লোকবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। লোকবিশ্বাসক কেন্দ্ৰ কৰি লোকসমাজে লোকাচাৰ সমূহ পালন কৰে।

**০২. অধ্যয়ণৰ ক্ষেত্ৰ আৰু অধিবাসী ঃ**

কোচ ৰাজবংশীসকল মূলত মঙ্গোলীয় নৃগোষ্ঠীৰ অন্তৰ্ভুক্ত। কোচ ৰাজবংশী লোকসকল অসম, পশ্চিমবংগ, বাংলাদেশ আৰু নেপালত বসবাস কৰি আহিছে। আমাৰ গৱেষণাৰ ক্ষেত্ৰখন অসম ৰাজ্যৰ কোকৰাঝাৰ জিলাখনক বাছি লোৱা হৈছে। বৰ্তমান কোকৰাঝাৰ জিলাখনৰ

তিনিটা মহকুমা আছে— কোকৰাঝাৰ, গোসাইগাঁও আৰু পৰ্বতঝোৰা মহকুমা।

কোকৰাঝাৰ জিলাখনত নানা জাতি-জনগোষ্ঠী, বিভিন্ন ভাষা-ভাষীৰ লোকৰ লগতে বিভিন্ন ধৰ্মৰ লোকে বসবাস কৰি আহিছে। জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত বড়ো, কোচৰাজবংশী, ৰাভা, নেপালী, আদিবাসী, নাথ-যোগী, মুছলমান, বঙালী, গাৰো, বিহাৰী আদি জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। ধৰ্মৰ ভিতৰত হিন্দু, মুছলমান, খৃষ্টান আদি ধৰ্মৰ লোকে ইয়াত বসবাস কৰি আছে।

কোকৰাঝাৰ জিলাৰ চাৰিসীমা হ'ল— পূৱে চিৰাং জিলা আৰু বঙাইগাঁও জিলা; পশ্চিমে পশ্চিমবংগ; উত্তৰে ভূটান আৰু দক্ষিণে ধুবুৰী জিলা।

বৰ্তমান কোকৰাঝাৰ জিলাৰ মাটিকালি- 3,169.22 বৰ্গ কিলোমিটাৰ।

**০৩. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

বিভিন্ন জনগোষ্ঠীৰ আৰু ভাষা-ভাষীৰ নিবাসভূমি অসম। আমাৰ দৈনন্দিন জীৱনৰ কৰ্মক্ষেত্ৰত লোকচাৰ আৰু লোকবিশ্বাসসমূহ অলিখিতভাৱে পূৰ্বৰেপৰা সমাজত চলি আহিছে। কোচ ৰাজবংশী জনগোষ্ঠীটো ভাৰতৰ এক প্ৰাচীন জনগোষ্ঠী। জনগোষ্ঠীটোৰ মাজত দৈনন্দিন জীৱনত নানা লোকাচাৰ আৰু লোকবিশ্বাস পালন কৰা দেখা যায়। এই জনগোষ্ঠীটোৰ মাজত জন্ম, বিবাহ আৰু মৃত্যুত বহুতো লোকবিশ্বাস আৰু লোকাচাৰ পৰম্পৰাগতভাৱে পালন কৰে।

আমাৰ গৱেষণাৰ উদ্দেশ্য হৈছে কোচ ৰাজবংশী জনগোষ্ঠীৰ মাজত প্ৰচলিত জন্ম-বিবাহ আৰু মৃত্যুৰ লগত জড়িত নানা লোকাচাৰ আৰু লোকবিশ্বাসসমূহৰ বিষয়ে অধ্যয়ন কৰা তদুপৰি মানুহৰ অৰ্ন্তজগতখনত লোকাচাৰ আৰু লোকবিশ্বাসে কিদৰে ক্ৰিয়া কৰি আহিছে সেই সম্পেৰ্কেও আলোচনা কৰা। সময়ৰ লগতে কিদৰে লোকাচাৰ আৰু লোকবিশ্বাসসমূহৰ পৰিৱৰ্তন সাধিত হৈছে সেইবোৰ বিচাৰি উলিওৱা আৰু শেষত নৱপ্ৰজন্মৰ আগত কোচ ৰাজবংশী সমাজখনত প্ৰচলিত হৈ থকা জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ লগত পৰিচয় কৰাই দিয়া আৰু সেইসমূহক কিদৰে সংৰক্ষণ কৰিব পাৰি সেই সম্পৰ্কে অধ্যয়ন কৰাই মোৰ গৱেষণাৰ অন্যতম উদ্দেশ্য।

**০৪. অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ**

কোকৰাঝাৰ জিলাত বসবাস কৰা কোচ ৰাজবংশী জনগোষ্ঠীটোৰ মাজত বহুতো লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন আছে। আমাৰ গৱেষণাৰ বিষয় জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ। আমাৰ গৱেষণা গ্ৰন্থখনত জন্ম-বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰসমূহৰ অতীত আৰু বৰ্তমানত কিদৰে সমাজত প্ৰচলিত হৈ আছে তাক দাঙি ধৰা। সময়ৰ অগ্ৰগতি, শিক্ষা, স্বাস্থ্য, নগৰীকৰণ, উদ্যোগিকৰণ আদিৰ ফলত সমাজত প্ৰচলিত লোকসংস্কৃতিবোৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে। এই গৱেষণা গ্ৰন্থখনৰ জৰিয়তে লোকাচাৰ আৰু লোকবিশ্বাসসমূহ কিদৰে পালন কৰা হয় কৰা তাক অধ্যয়ন কৰা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণ কৰা।

শেষত বিভিন্ন জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধ, সমন্বয়সেতু গঢ়াৰ বাবেও এইধৰণৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে বুলি ক'ব পাৰি।

**০৫. অধ্যয়ণ পদ্ধতি ঃ**

আমাৰ গৱেষণাৰ বিষয়বস্তুৰ অধ্যয়ন কৰিবলৈ যাওঁতে ক্ষেত্ৰ অধ্যয়নৰ লগতে বৰ্ণনামূলক গৱেষণা পদ্ধতিৰ (Descriptive Research) সহায় লোৱা হৈছে। গৱেষণাগ্ৰন্থখন প্ৰস্তুত কৰোঁতে অসমীয়া, বাংলা, ৰাজবংশী আৰু ইংৰাজী ভাষাত লিখা গ্ৰন্থসমূহ মূলতঃ প্ৰসঙ্গ পুথি হিচাপে লোৱা হৈছে। প্ৰসঙ্গ পুথিৰ উপৰিও বিভিন্ন আলোচনী, বাতৰি কাকত, হাতে লিখা পুথি আদিৰ পৰাও তথ্য সংগ্ৰহ কৰা হৈছে।

ক্ষেত্ৰ অধ্যয়ণত কোকৰাঝাৰ জিলাৰ বিভিন্ন ৰাজবংশী গাঁওসমূহ পৰিভ্ৰমণ কৰি সেই গাঁওসমূহৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

**০৬. তথ্য সংগ্ৰহ ঃ**

তথ্য সংগ্ৰহৰ ক্ষেত্ৰত তলত দিয়া পদ্ধতি কেইটা গ্ৰহণ কৰা হৈছে ঃ

**(ক) অৱলোকন ঃ**

অৱলোকন বা নিৰীক্ষণ পদ্ধতিৰ দ্বাৰা তথ্য সংগ্ৰহ কৰা হৈছে। ইয়াৰ বাবে আমি কোকৰাঝাৰ

জিলাৰ কোচ ৰাজবংশী গাঁওসমূহত জনগোষ্ঠীটোৰ সাংস্কৃতিক অনুষ্ঠান, জন্মৰ বিভিন্ন আচাৰ অনুষ্ঠান, বিবাহ অনুষ্ঠান, মৃতকৰ ঘৰ, শ্মশান, দহাৰ বাবে নদীৰ পাৰত কৰা নিয়মবোৰ পৰ্যবেক্ষণ কৰি তাৰ পৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে।

**(খ) সাক্ষাৎকাৰ ঃ**

আমাৰ গৱেষণা গ্ৰন্থখনৰ তথ্য সংগ্ৰহৰ বাবে আমি বিভিন্ন অভিজ্ঞ ব্যক্তিসকলৰ ওচৰ চাপিছোঁ। তদুপৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক (পুৰুষ মহিলা উভয়কে) সাক্ষাৎ কৰি গৱেষণা গ্ৰন্থৰ বাবে তথ্য সংগ্ৰহ কৰা হৈছে।

**০৭. জ্ঞান বিকাশত সহায় ঃ**

আমাৰ গৱেষণা গ্ৰন্থখনে কোচ ৰাজবংশী জনগোষ্ঠীটোৰ জন্ম বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ প্ৰসংগত বিভিন্ন ছাত্ৰ-ছাত্ৰী, লেখক, গৱেষক আৰু সাধাৰণ শ্ৰেণীৰ পাঠকক যথেষ্ট সমল আৰু সন্ধান দিব পাৰিব বুলি আশা কৰিব পাৰি।